জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৬৯/২০২০

**অসম প্ৰকাশন পৰিষদৰ দ্বাৰা আয়োজিত ৩৩ তম্ গুৱাহাটী গ্ৰন্থ মেলা বন্তি প্ৰজ্বলনেৰে আনুষ্ঠনিকভাৱে উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে**

# গ্ৰন্থ নিৰস মৰুভূমিৰ মৰুদ্যান ঃ হৃষীকেশ গোস্বামী

**দিছপুৰ, ৩০ ডিচেম্বৰ ঃ** অসম প্ৰকাশন পৰিষদৰ উদ্যোগত মহানগৰীৰ চান্দমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত আয়োজিত ৩৩ তম্ গুৱাহাটী গ্ৰন্থ মেলা আজি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে অন্যান্য অভ্যাগতসকলৰ সৈতে বন্তি প্ৰজ্বলনেৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে অসম প্ৰকাশ পৰিষদে ২০১৯ বৰ্ষৰ বাবে প্ৰদান কৰা জীৱনজোৰা সাধনাৰ বটা বিশিষ্ট সাহিত্যিক, পণ্ডিত ড° থানেশ্বৰ শৰ্মাক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। ২০২০ বৰ্ষৰ এই বঁটা বিশিষ্ট ভাষাতত্ত্ববিদ, সাহিত্য সমালোচক ড° ৰমেশ চন্দ্ৰ পাঠকক আগবঢ়োৱা হৈছে যদিও আজি তেখেতে এই অনুষ্ঠানত উপস্থিত নথকা হেতু প্ৰকাশন পৰিষদে তেখেতক বঁটাটি নিজ গৃহত প্ৰদান কৰিব। এই বঁটাত আছে এখন প্ৰশস্তি পত্ৰ, অংগবস্ত্ৰ, এটা কিতাপৰ টোপোলা আৰু ২ লাখ টকাৰ চেক। উক্ত অনুষ্ঠানতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী আৰু অন্যান্য অভ্যাগতসকলে অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশ কৰি উলিওৱা ১২ খন আপুৰুগীয়া ভিন্ন ৰসৰ গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কৰ'নাই স্তব্ধ কৰা বন্ধ দুৱাৰ গুৱাহাটী গ্ৰন্থ মেলাই খুলি দিলে বুলি কয়। গ্ৰন্থক নিৰস মৰুভূমিৰ মৰুদ্যান বুলি উল্লেখ কৰি গ্ৰন্থই মানুহৰ বৌদ্ধিক আৰু মনন জগত জীপাল কৰি সৃষ্টিশীল কৰি তোলে বুলিও তেওঁ কয়। মিডিয়া উপদেষ্টাগৰাকীয়ে কৰ'নাৰ সংকতৰ সময়তো অসম প্ৰকাশন পৰিষদে প্ৰায় ৪০ খন গ্ৰন্থ প্ৰকাশ কৰি উলিওৱাৰ বাবে প্ৰকাশন পৰিষদক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

গ্ৰন্থৰ মাজেদি মানুহৰ বৌদ্ধিক আৰু মনন জগত শক্তিশালী হয় বুলি উল্লেখ কৰি মিডিয়া উপদেষ্টাগৰাকীয়ে শিশুসকলৰ মাজত গ্ৰন্থৰ প্ৰতি প্ৰেম জগাই তোলাৰ উদ্যোগ ল'বলৈ সকলোকে আহ্বান জনায়। শিশুসকলক যদি কোমল বয়সতে গ্ৰন্থৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিব পৰা নাযায় তেতিয়াহ'লে ভৱিষ্যতে গ্ৰন্থৰ পাঠকৰ সংখ্যা তাকৰিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে নিজৰ বক্তব্যত কয়। উঠি অহা প্ৰজন্ম যাতে আওবাটে নাযায় তাৰ বাবে ভাল গ্ৰন্থ পঢ়ুওৱাৰ উদ্যোগ ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে কয়। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে সংঘাত নহয়, কেৱল সমন্বয়ৰ মাজেৰে অসম মাতৃৰ মান-স্বাভিমান উজলোৱাৰ বাবে সকলোকে সন্মিলিতভাৱে কাম কৰাৰ বাবেও আহ্বান জনায়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশ গ্ৰহণ কৰি ত্ৰিপুৰাৰ ভূতপূৰ্ব ৰাজ্যপাল তথা বিশিষ্ট লেখক আৰু চিন্তাবিদ তথাগত ৰয়ে অসমৰ সৈতে তেখেতৰ শৈশৱৰ পৰা থকা আত্মিক সম্পৰ্ক অৱলোকনেৰে বক্তব্য প্ৰদান কৰে। অসম আৰু বংগৰ মাজত এক আত্মিক সম্পৰ্ক আছে বুলি উল্লেখ কৰি অসমীয়া আৰু বঙালী ভাষীৰ মাজত সদায়ে মিলা প্ৰীতি অটুট থাকিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অসমীয়া ভাষাক এক মধুৰ ভাষা বুলি উল্লেখ কৰি তেখেতৰ শিপা উত্তৰ-পূব ভাৰতত আছে বুলিও তেওঁ উল্লেখ কৰে। ভাৰতৰ বিভিন্ন ৰাজ্যত স্থানীয় ভাষা-সাহিত্যিক সকলৰ বিষয়ে বহুলোক অজ্ঞাত বুলি উল্লেখ কৰি নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে এই দিশত এক ব্যাপক পৰিৱৰ্তন আনিব বুলিও বিশিষ্ট লেখক তথা চিন্তাবিদগৰাকীয়ে আশা প্ৰকাশ কৰে।

অনুষ্ঠান বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি অৰুণাচল প্ৰদেশ নিৱাসী বিশিষ্ট সাহিত্যিক, সাহিত্য একামেডী বঁটা প্ৰাপক, পদ্মশ্ৰী য়েছে দৰজে ঠংচিয়ে প্ৰায় ন মাহৰ পিছত তেখেতৰ প্ৰিয় চহৰ গুৱাহাটীলৈ আহি তেখেত অত্যন্ত পুলকিত হৈছে বুলিও কয়। কৰ'না সৃষ্ট পৰিৱেশৰ বাবে সকলোৱে নিজৰ গাততে সোমাই থাকিবলগীয়া হৈছিল যদিও গুৱাহাটী গ্ৰন্থ মেলাই গ্ৰন্থপ্ৰেমী জনসাধাৰণক একলগ হোৱাৰ সুবিধা প্ৰদান কৰিছে বুলিও তেওঁ কয়। ইয়াৰ বাবে বিশিষ্ট সাহিত্যিক গৰাকীয়ে ৰাজ্য চৰকাৰৰ লগতে অসম প্ৰকাশন পৰিষদকো বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। ভাষণ প্ৰসংগত তেওঁ লগতে কয় যে কৰ'নাই বহু ক্ষেত্ৰলৈ অশনি সংকেত কঢ়িয়াই আনিছিল যদিও সমগ্ৰ বিশ্বতে কৰ'নাৰ সময়ত পঢ়ুৱৈৰ সংখ্যা বৃদ্ধিৰ দিশটোৱে এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। এই সময়ত লেখকসকলেও অফুৰন্ত সময়ৰ সদ ব্যৱহাৰেৰে বহু সংখ্যক গ্ৰন্থ লিখি উলিয়াব পাৰিছে বুলিও তেওঁ কয়। অৰুণাচলৰ অসমীয়া ভাষাৰ সাহিত্যিক তথা তেখেতৰ অগ্ৰজ লুম্বেৰ দাইৰ সমগ্ৰ ৰচনাৱলী আজি উন্মোচন কৰিবলৈ পাই তেখেতে নিজকে সৌভাগ্যৱান বুলি অনুভৱ কৰিছে বুলিও তেওঁ ব্যক্ত কৰে। লুম্বেৰ দাইৰ সাহিত্য জীৱনত অসম প্ৰকাশন পৰিষদৰ বিশেষ অৱিহণা আছে বুলি উল্লেখ কৰি তেখেতৰ সমগ্ৰ ৰচনাৰাজি অসম প্ৰকাশন পৰিষদৰ দ্বাৰা আজি প্ৰকাশ কৰি উলিওৱাৰ যি পদক্ষেপ লোৱা হ'ল সেই পদক্ষেপে লুম্বেৰ দাইক এক অমৰ স্থানত অধিস্থিত কৰিলে বুলিও তেওঁ উল্লেখ কৰে। গুৱাহাটী গ্ৰন্থ মেলাই অসমক পুনৰুজ্জীৱিত কৰাৰ লগতে প্ৰতিগৰাকী অসমীয়াৰ মনত প্ৰাণৰ সঞ্চাৰ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

অনুষ্ঠানত বঁটা প্ৰাপক ড° থানেশ্বৰ শমাইও নিজৰ অনুভৱ ব্যক্ত কৰি ভাষণ প্ৰদান কৰে।

অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা আজিৰ এই গ্ৰন্থমেলা উদ্বোধনী অনুষ্ঠানত অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ তথা বিশিষ্ট লেখক সুমন্ত চলিহা, শিক্ষা বিভাগৰ সচিব দীপক মজুমদাৰকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বঃভাঃ**
**৩০/১২/২০২০**